**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 2-06-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**---------------------------**

## *Headlines*

১। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৫ জুনত ৰাজ্যত ১ কোটি গছপুলি ৰোপণৰ বাবে চৰকাৰৰ লক্ষ্য নিৰ্ধাৰণ।

২। অসমত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই প্ৰশিক্ষণ অব্যাহত।

৩। তৃতীয়ৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অহা ৯ জুনৰ পৰা নিয়মীয়া মান নিৰূপণ পৰীক্ষা।

আৰু

৪। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ইক' শ্বপৰ মাধ্যমেৰে ২০২৫-২৬ বৰ্ষত ১ কোটি ৮৭ লাখ টকাৰ সামগ্ৰী বিক্ৰী।

০০০০০০০

অহা ৫ জুনত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যখনত প্ৰায় ১ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটসমূহৰ ৩৫ লাখতকৈও অধিক মহিলাক এই গছপুলি ৰোপণ অভিযানৰ সৈতে জড়িত কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, বনাঞ্চল পুনৰ উদ্ধাৰৰ পদক্ষেপ, স্বচ্ছ শক্তিৰ প্ৰসাৰ, আধুনিক প্ৰযুক্তিৰ একত্ৰিকৰণৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক ধাৰবাহিকভাৱে অগ্ৰাধিকাৰ দিয়াৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ প্ৰস্তুতিৰ বাবে কালি গুৱাহাটীত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী অতুল বৰাই এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ লগতে সঠিক নিৰীক্ষণ ব্যৱস্থাৰে অভিযান সফল কৰি তুলিবলৈ বিভাগীয় বিষয়াসকলক মন্ত্ৰী বৰাই নিৰ্দেশ দিয়ে। এই বৈঠকতে লাখপতি বাইদেউ আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনাও কৰা হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা চৰকাৰৰ জনকল্যাণমূলক কাৰ্যসূচীসমূহৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। কালিৰ এই বৈঠকত বিভিন্ন বিভাগৰ মুখ্য সচিব আৰু বিষয়াসকল উপস্থিত থকাৰ লগতে পৰিৱেশ আৰু বন বিভাগৰ অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক হিৰ্দেশ মিশ্ৰও উপস্থিত থাকে।

০০০০০০০

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ চলি আছে। তামুলপুৰ জিলাত আজি এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে। পৰহিলৈ পৰ্যন্ত চলিবলগীয়া এই কাৰ্যসূচী আজি জিলা আয়ুক্ত তথা জিলা মুখ্য লোকপিয়ল বিষয়া চিমি কৰণে শুভাৰম্ভ কৰে। জিলাখনত ২০২৭ চনৰ লোকপিয়ল সঠিকভাৱে ৰূপায়ণ কৰাৰ বাবে বিষয়াসকলক দক্ষ কৰি তুলিবলৈ প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত জিলা লোকপিয়ল বিষয়া ড° দীপংকৰ নাথ, অতিৰিক্ত জিলা লোকপিয়ল বিষয়া বিদিশা বৰাৰ উপৰি গণনাৰ দায়িত্বত নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। এই সন্দৰ্ভত আয়ুক্তগৰাকীয়ে এইদৰে কয় –

বাইট

ডিব্ৰুগড় আৰু চিৰাং জিলাত কালিৰে পৰা আসন্ন লোকপিয়লৰ বাবে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত গৃহ তালিকা আৰু গৃহ পিয়লৰ ধাৰণা, পদ্ধতি আৰু কাৰ্যকৰী নিৰ্দেশনাৰ সৈতে বিষয়াসকলক পৰিচিত কৰাৰ উদ্দেশ্যে এই প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলাত কালি অনুষ্ঠিত প্ৰশিক্ষণত জিলাখনৰ সম-জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, ৰাজহ চক্ৰ বিষয়াকে ধৰি অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে। আনহাতে চিৰাং জিলাক ছটা লোকপিয়ল কেন্দ্ৰত বিভক্ত কৰা হৈছে। ইয়াৰে বিজনী, ছিদলী আৰু বেংতলে গ্ৰামাঞ্চলক সামৰি লোৱাৰ বিপৰীতে বিজনী, বাসুগাঁও আৰু কাজলগাঁৱে চহৰ অঞ্চলক সামৰি লৈছে।

উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০০

সমগ্ৰ শিক্ষা অসমে তৃতীয়ৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিয়মীয়া মান নিৰূপণ পৰীক্ষাৰ প্ৰথম পৰ্যায় অহা ৯ জুনৰ পৰা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ মূল্যায়নৰ লক্ষ্যৰে এই মূল্যায়ন অনুষ্ঠিত কৰি অহা হৈছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ক্ষেত্ৰত হোৱা অসুবিধা আৰু এইক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাসমূহ নিৰ্ধাৰণ কৰা হয়। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে জাৰি কৰা অধিসূচনা অনুসৰি তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীলৈ ৯ জুনৰ পৰা ১২ জুনলৈ পৰীক্ষা অনুষ্ঠিত হোৱাৰ বিপৰীতে ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ১৬ জুনত মান নিৰূপণ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে ইক' শ্বপৰ মাধ্যমেৰে ২০২৫-২৬ বৰ্ষত ১ কোটি ৮৭ লাখ টকাৰ সামগ্ৰী বিক্ৰী কৰে। ২০২৪-২৫ বৰ্ষত এই বিক্ৰীৰ পৰিমাণ আছিল ১ কোটি ২৪ লাখ টকা। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানখনত এমাজন আৰু চৰকাৰী ই-মাৰ্কেট প্লেচত ইয়াৰ বহুল প্ৰচাৰিত ইক' শ্বপ মুকলি কৰা হৈছে। প্ৰান্তীয় সম্প্ৰদায়ৰ লোকসকলৰ দ্বাৰা স্থানীয়ভাৱে তৈয়াৰী জৈৱ-বৈচিত্ৰ্য সম্পৰ্কিত সামগ্ৰীসমূহ এখন বহল বজাৰৰ জৰিয়তে বিশ্বৰ বিভিন্ন দেশলৈ লৈ যোৱাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। এই ই-মাৰ্কেট প্লেচে কাজিৰঙাৰ সমৃদ্ধ ঐতিহ্য বহন কৰাৰ লগতে দাঁতিকাষৰীয়া গাঁৱৰ শিল্পী আৰু উৎপাদক গোটসমূহৰ বাবে এখন শক্তিশালী বজাৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। কাজিৰঙা ষ্টাফ ৱেলফেয়াৰ ছ'চাইটীয়ে পৰিচালনা কৰা এই ইক' শ্বপসমূহে আৰম্ভণিৰ দুবছৰৰ ভিতৰতে আশানুৰূপ অগ্ৰগতি লাভ কৰা পৰিলক্ষিত হৈছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীক সৌজন্যমূলক সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। ৰাজ্যৰ অৰ্থনৈতিক আন্তঃগাঁথনি ক্ৰীড়া, স্বাস্থ্যৰ শক্তিখণ্ডক নতুন গতি দিয়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰীসকলক সাক্ষাৎ কৰি বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যখনৰ বিকাশৰ গতি সম্পৰ্কে অৱগত কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয়, যে নিজৰ সততা আৰু নিষ্ঠাৰে জনসেৱাৰ ক্ষেত্ৰত নজিৰ সৃষ্টি কৰা ৰাধাকৃষ্ণণক সাক্ষাৎ কৰাটো এটা শিক্ষণৰ অভিজ্ঞতা বুলি ক'ব পাৰি। মুখ্যমন্ত্ৰীয়ে অনাগত সময়তো উপ-ৰাষ্ট্ৰপতিগৰাকীৰ পৰামৰ্শ আৰু সহযোগিতা কামনা কৰে। তেওঁ কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেলকো কালি সাক্ষাৎ

কৰে। ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডাভিয়া, জে পি নাড্ডা, হৰদ্বীপ সিং পুৰী আৰু নীতিন গাডকাৰীকো সাক্ষাৎ কৰে। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে হোৱা আলোচনাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যত ৰূপায়ণ হৈ থকা কেইবাটাও আঁচনি সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা মতে দুয়োগৰাকীয়ে এই বৈঠক কালত ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ পথ নিৰ্মাণ, কাজিৰঙাৰ এলিভেটেড ক'ৰিড'ৰ, ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণ আৰু মেৰামতি সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰে। এই বৈঠকত বৈদেশিক ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম ভৱনৰ আবাসীক আয়ুক্ত কবিতা পদ্মনাভনো উপস্থিত থাকে। আনহাতে স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাক সাক্ষাৎ কৰি ৰাজ্যৰ স্বাস্থ্যখণ্ডত বিকাশৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰন্তৰ প্ৰচেষ্টাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ হাৱাইপুৰ ৰে'লৱে ষ্টেচনৰ সমীপৰ  শিৱ আৰু কালি মন্দিৰত এজন অচিনাক্ত লোকে অগ্নি সংযোগ কৰাত মন্দিৰৰ ভিতৰত থকা আচবাবসমূহ ভস্মীভূত হয়। এই অগ্নিকাণ্ডত মন্দিৰৰ ভিতৰভাগত থকা পূজাৰ সামগ্ৰী আৰু শিৱ তথা কালিমূৰ্তি ভাগৰো ক্ষতি হয়। এই ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্য আৰু উত্তেজনাৰ সৃষ্টি কৰিছে। ৰাইজে অচিনাক্ত ব্যক্তিজনক মাইলু আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে সোধাপোছা বাবে লোকজনক থানালৈ নি জেৰা অব্যাহত ৰাখিছে।

০০০০০০০

দৰং আৰক্ষীয়ে অবৈধ জুৱাৰ সৈতে জড়িত থকাৰ অভিযোগত জিলাখনৰ ধূলা থানাৰ অন্তৰ্গত বাইগৰমাৰী আৰু খাৰুপেটীয়া অঞ্চলত অভিযান চলাই তিনিজন লোকক আটক কৰে। স্থানীয় লোকৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই হজৰত আলী, আমিৰ হুছেইন আৰু নুৰুল খানক আটক কৰে। চতুৰ্থ অভিযুক্তজন পলাই যাবলৈ সমৰ্থ হয়। আৰক্ষীয়ে ধৃত লোক কেইজনক জেৰা কৰাৰ লগতে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে যোৰহাট পৌৰ সভাই  নাগৰিকসকলৰ মাজত গোটা আৱৰ্জনা ব্যৱস্থাপনা, আৱৰ্জনা পৃথকীকৰণ আৰু আৱৰ্জনাসমূহৰ বৈজ্ঞানিক নিষ্কাশনৰ বিষয়ে সজাগতা সৃষ্টিৰ ক্ষেত্ৰত সক্ৰিয় অংশগ্ৰহণ কৰিছে। সেউজীয়া, পৰিষ্কাৰ আৰু সুস্থ ভৱিষ্যতৰ বাবে সামূহিক প্ৰচেষ্টাৰে আৱৰ্জনা সঠিকভাৱে নিষ্কাশন কৰাটো সকলোৰে দায়িত্ব বুলি যোৰহাট পৌৰ সভাৰ অধ্যক্ষই প্ৰকাশ কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ খোৱাং মহাবিদ্যালয়ৰ শৈক্ষিক আৰু ক্ৰীড়া আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে আজি গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাটো আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। মহাবিদ্যালয়খনত নিৰ্মাণ হ'বলগীয়া ক্ষুদ্ৰ ক্ৰীড়া প্ৰকল্প আৰু নিৰ্মিয়মান প্ৰেক্ষাগৃহৰ মূল গৃহৰ আজি আধাৰশিলা স্থাপন কৰা হয়। অনুষ্ঠানত খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, ডিব্ৰুগড়ৰ আয়ুক্ত বিক্ৰম কৈৰীকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি

দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

০০০০০০০

চি বি এছ ই'ৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অফিচিয়েল অনলাইন প'ৰ্টেল অতি সোনকালে উপলব্ধ হ'ব। চি বি এছ ই'ৰ মূল ৱেবছাইটত এই অনলাইন প'ৰ্টেল মুকলি কৰা হ'ব বুলি কৰ্তৃপক্ষই ঘোষণা কৰিছে। উল্লেখযোগ্য যে, ব'ৰ্ড পৰীক্ষাৰ নম্বৰত অসন্তুষ্ট ছাত্ৰ-ছাত্ৰীক উত্তৰ বহী পুনৰ পৰীক্ষা কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে কৰ্তৃপক্ষই যোৱা ২৬ মে'ত অনলাইন প'ৰ্টেল লাইভ হ'ব বুলি ঘোষণা কৰিছিল যদিও কাৰিকৰী বিজুতীৰ বাবে ১ জুনলৈ বৃদ্ধি কৰা হৈছিল। অৱশ্যে এক জুনতো অনলাইন প'ৰ্টেলটো মুকলি কৰিব পৰা নগ'ল। সেয়েহে কৰ্তৃপক্ষই সোনকালেই অনলাইন প'ৰ্টেলটো মুকলি কৰা হ'ব বুলি ছাত্ৰ-ছাত্ৰীক নিশ্চিতি দিছে।

০০০০০০০

গোলাঘাট জিলাৰ মৰঙীৰ প্ৰবীণ অভিনয় তথা সংগীত শিল্পী ৰাখাল বেজবৰুৱাৰ কালি যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৩ বছৰ। মৰঙীৰ এটা সংস্কৃতিবান পৰিয়ালৰ সন্তান প্ৰয়াত শিল্পীজনে শৈশৱৰে পৰাই সংগীত আৰু অভিনয়ৰ লগত জড়িত হৈ ভালেসংখ্যক নাট্যগোষ্ঠীৰ হৈ নাট পৰিচালনা আৰু মঞ্চস্থ কৰিছিল। তেওঁ অঞ্চলটোৰ সাহিত্য-সংস্কৃতিমূলক বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০০০

সমাপ্ত